# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ আৰু ইউ পি পি এল দলে নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে।

ইপিনে, উপ নিৰ্বাচনৰ প্ৰস্তুতিৰে আজি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত বিৰোধী মৰ্চাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কংগ্ৰেছৰ তত্বাৱধায়ক ড° জিতেন্দ্ৰ সিঙৰ উপস্থিতিত কংগ্ৰেছৰ নেতাসকলৰ লগতে বিৰোধী মৰ্চাৰ নেতাসকলে আসন্ন উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্বৰ ভাগ-বটোৱাৰা সন্দৰ্ভত আলোচনা কৰে।

০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন কৰা হয়। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানত নিৰ্বাচিত উদ্যোগীলৈ দুই লাখৰ পৰা ৫ লাখ পৰ্যন্ত টকাকৈ আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ বাবে আগ্ৰহী অৰ্হতাসম্পন্ন আবেদনকাৰীসকলে পঞ্জীয়ন কৰিব পাৰে। চি এম এ এ এ প'ৰ্টেল cmaaa.assam.gov.in ত প্ৰথমে নিজৰ নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰকল্পৰ প্ৰতিবেদন জমা দিব পাৰিব। নিজৰ সম্পূৰ্ণ নাম, ম'বাইল নম্বৰ, ই-মেইল আই ডি আদি প্ৰদান কৰি প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব।

উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ইতিমধ্যে ৰাজ্যৰ ২৫ হাজাৰ যুৱ উদ্যোগীক ৫১০ কোটি টকা বিতৰণ কৰা হৈছে। যুৱ উদ্যোগীসকলে এই অনুদানৰ সহায়ত অসমৰ আন্তঃগাথনি উন্নয়নৰ বাবে কেৱল চাকৰিমুখী নহৈ বাণিজ্য তথা উদ্যোগৰ জগতত আদৰ্শ সৃষ্টি কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে।

০০০০

ভূমি কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা কামৰূপ মহানগৰ জিলাৰ উপ পঞ্জীয়ক কাৰ্যালয়ৰ কণিষ্ঠ সহায়ক নিতুল চন্দ্ৰ দাসক আজি চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। বিভাগীয় তদন্তৰ অন্তত কামৰূপ মহানগৰ জিলা

আয়ুক্তই এটা নিৰ্দেশযোগে কণিষ্ঠ সহায়ক দাসক চাকৰিৰ পৰা বৰ্খাস্ত কৰে। উল্লেখযোগ্য যে মহানগৰ আৰক্ষীয়ে ভূমি কেলেংকাৰীত গ্ৰেপ্তাৰ হোৱা দাসক প্ৰথমে চাকৰিৰ পৰা নিলম্বন কৰা হৈছিল।

০০০০

উচ্চতম ন্যায়ালয়ে অসম চুক্তিক মান্যতা দি ভিত্তিবৰ্ষ সন্দৰ্ভত প্ৰদান কৰা ৰায়ৰ পিছতে আজি সদৌ অসম ছাত্ৰ সন্থাই উজান বজাৰৰ শ্বহিদ ন্যাসত জাতীয় শ্বহিদসকলক বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনায়। নগাঁও জিলাতো কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাই আজি উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ পাছতে জাতীয় শ্বহিদসকলক বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনায়।

০০০০

আজি নগাঁৱৰ ফুলগুৰিত ফুলগুৰি ধেৱা দিৱস অনুষ্ঠিত কৰা হয়। ফুলগুৰি ধেৱা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে, ১৮৬১ চনৰ ১৮ অক্টোবৰ তথা আজিৰ দিনটোতে বৃটিছৰ কৰ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি নগাঁৱৰ ফুলগুৰিত দুকুৰিতকৈ অধিক চহা খেতিয়কে বৃটিছৰ গুলিত প্ৰাণ আহুতি দিছিল আৰু এশ জনতকৈও অধিক কৃষক আহত হৈছিল। কৃষকৰ এই স্ফতস্ফুৰ্ত বিদ্ৰোহ ফুলগুৰি ধেৱা হিচাপে ইতিহাসত চিহ্নিত হয়।

০০০০

অসম মল্লযুঁজ সন্থাই ১৭ সংখ্যক সদৌ অসম আন্তঃজিলা মল্লযুঁজ ছেম্পিয়নশ্বিপ ২০২৪ ৰ আয়োজন কৰিছে। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া ছেম্পিয়নশ্বিপখন পৰহিলৈ সন্ধিয়া সামৰণি পৰিব।

০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰথমখন টেষ্ট মেচৰ আজি  তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে ভাৰতে দ্বিতীয় ইনিংছত ৩ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। ভাৰত বৰ্তমান নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১২৫ ৰানত পিছপৰি আছে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত কোহলি আৰু ছৰফৰাজ খানে ৭০ ৰানকৈ কৰে। ৰোহিত শৰ্মাই ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ এজাজ পেটেলে দুটা উইকেট দখল কৰাৰ বিপৰীতে গ্লেন ফিলিপ্‌ছে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে ৰাছিন ৰবিন্দ্ৰৰ ১৩৪ ৰানৰ সহায়ত প্ৰথম ইনিংছত ৪০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ আৰু জাদেজাই তিনিটাকৈ উইকেট দখল কৰিছে।

বিৰাট কোহলিয়ে টেষ্ট ক্ৰিকেটত ৯ হাজাৰ ৰান সম্পূৰ্ণ কৰিছে। কোহলিয়ে নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্টখনৰ দ্বিতীয় ইনিংছত এই কৃতিত্ব অৰ্জন কৰে। কোহলি হৈছে শচীন তেণ্ডুলকাৰ, ৰাহুল দ্ৰাবিড় আৰু সুনীল গাভাস্কাৰৰ পাছত এই সাফল্য অৰ্জন কৰা চতুৰ্থগৰাকী ভাৰতীয় বেট্‌ছমেন।

০০০

সমাপ্ত